# EXCELLENCE INTERNATIONAL JOURNAL OF EDUCATION AND RESEARCH

## (EIJER)

## Multilingual Journal For All Subjects

ISSN 2349-8838

**UGC APPROVED JOURNAL NO. 46014**

**IMPACT FACTOR : 5.088**

*Monthly*

Volume : 5 Issue : 3

**March, 2018**

A peer reviewed and refereed international journal

*Editor-in-Chief*

**Dr. Mujibul Hasan Siddiqui**
M.A (Economics), M.Ed,
M.Phil(Education), Ph.D (Education),
PGDHE, PGDDE, MADE, CCIPALA, CCCA,
D.Litt (Education) Persuing
Associate Professor
Department of Education
Aligarh Muslim University

Principal
Mayang Anchalik College
Date..................

*Website : www.ocwjournalonline.com*

28. Recruitment Process of Tea Garden Labourers into the Tea Plantations of Assam
*Dr. Nizwm Sona Baro* 193

29. A Comparative Study of Emotional Intelligence of College Students in Jorhat District
*Pallabi Mali / Prof. Swarnalata Das* 198

30. A study on Parent-Child Relationship, its Influence on High School students' Attitude and a Comparison of rural and urban High School students Attitude towards Science and Mathematics with reference to Nalbari District
*Rafijul Hussain / Dr. Rupa Das Borbora* 204

31. গুৰুচৰিত্ৰ কথাৰ স্থান-নাম ঃ এটি ভাষাতাত্ত্বিক আলোচনা
*ড° মীনাক্ষি তামুলী বৰুৱা* 216

32. মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ ভক্তিবাদী আন্দোলনৰ ওপৰত এক আলোচনামূলক অধ্যয়ন
*লাতুমণি গগৈ* 220

33. অসমীয়া ভাষাত তিব্বতবৰ্মীয় প্ৰভাৱ
*গীতাঞ্জলি পাঠক* 225

34. निराला की 'कुकुरमुत्ता' कविता का समीक्षात्मक अध्ययन
*मनजित सोनोवाल* 240

* * *

Principal
Mayang Anchalik College
Date..................

# গুৰুচৰিত্ৰ কথাৰ স্থান-নাম ঃ এটি ভাষাতাত্ত্বিক আলোচনা

ড° মীনাক্ষি তামুলী বৰুৱা

এটা ভাষাৰ সাংস্কৃতিক আৰু ভাষাতাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰত সেই ভাষাটোৰ স্থান-নামসমূহৰ অধ্যয়নো গুৰুত্বপূৰ্ণ বিষয়। স্থান-নামসমূহৰ ঐতিহ্য, উৎস, তাৎপৰ্য ইয়াৰ বৰ্তমানৰ ৰূপ আৰু ঐতিহ্যৰ বিৱৰণে সেই ভাষাটোৰ শব্দসমূহৰ বিকাশৰ ধাৰণা দিয়াৰ লগতে আন আন ভাষাৰ প্ৰভাৱ সম্বন্ধেও আভাস দিব পাৰে। প্ৰাচীন পুথি, বুৰঞ্জী আদিত এনে স্থান-নামৰ বৰ্তমানৰ ৰূপ আৰু ঐতিহ্যৰ বিৱৰণ পাব পাৰি। গুৰুচৰিত কথা (ড° মহেশ্বৰ নেওগ সম্পাদিত) এনে এখন পুথি য'ত বৈষ্ণৱ ধৰ্মৰ প্ৰাৰম্ভিক কালছোৱাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ মাধৱদেৱ আৰু তেৰাসৱৰ শিষ্য-প্ৰশিষ্যৰ সৈতে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে যিবোৰ ঠাই পৰিভ্ৰমণ কৰিছিল সেই ঠাইসমূহৰ উল্লেখ ইয়াত আছে। তদুপৰি এনে কিছুমান ঠাইৰ নাম পোৱা যায় যিবোৰৰ নাম হয়তো আগেয়ে নাছিল বা জনা হোৱা নাছিল। তেনেবোৰ ঠাইৰ নামকৰণ কৰা হৈছিল সৰু-সুৰা কিছুমান বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি। সেয়ে এনে স্থান-নামসমূহত ঠাইখনৰ বৈশিষ্ট্য সোমাই আছে।

সমগ্ৰ পুথিখনত ছশৰো অধিক ঠাইৰ নাম পোৱা যায়। তাৰ উপৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ স্থান নাম পোৱা যায়। সেইদৰে তীৰ্থ ভ্ৰমণৰ সময়ত ভাৰতৰ বিভিন্ন স্থানলৈ মহাপুৰুষজনা যাত্ৰা কৰিছিল। সেইসকলোবোৰ ঠাইৰ নামৰ উল্লেখ পুথিখনত পোৱা যায়।

এটা ভাষাৰ স্থান-নামৰ জৰিয়তে ভাষাটোৰ সমাজ আৰু ভাষাতাত্ত্বিক বহু তথ্য ওলাই পৰে। প্ৰতিটো স্থান-নামৰ অন্তৰালত একোখন ইতিহাস সোমাই আছে। অসমীয়া ভাষাই সংস্কৃতিৰ পৰাই উদ্ভূত হৈ বিকাশৰ পৰা বাট বুলাতে মধ্যযুগত অৰ্থাৎ চৰিত সাহিত্যৰ যুগত কেনেধৰণৰ ৰূপ লাভ কৰিছিল তাৰ এক সুন্দৰ পৰিচয় পোৱা যায় পুথিখনৰ শব্দ ভাণ্ডাৰ আৰু স্থান-নামসমূহৰ জৰিয়তে।

ভাষাতাত্ত্বিক দৃষ্টিভংগীৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় গুৰুচৰিত কথা পুথিখনৰ স্থান-নামসমূহ কেৱলমাত্ৰ সংস্কৃত শব্দাৱলীৰে গঢ় লৈ উঠা নাই। অষ্ট্ৰিক, দ্ৰাবিড়, তিব্বতবৰ্মী, ফাৰ্চী আদিৰ প্ৰভাৱো নামসমূহত পৰিছে। গতিকে স্থান-নামসমূহে বিভিন্ন সময়ত বিভিন্ন লোক প্ৰব্ৰজনৰ পৰিচয় দাঙি ধৰে। ভিন্ ভিন্ সময়ত ভিন্ ভিন্ জনগোষ্ঠীৰ প্ৰভাৱত স্থান-নামসমূহে ভিন্ন ৰূপ পৰিগ্ৰহণ কৰে। স্থানবাচক শব্দটোৰ ভাষাতাত্ত্বিক বিশ্লেষণৰ জৰিয়তে তাৰ আদিম অধিবাসী, সমাজ, ভাষা-সংস্কৃতি এই সকলোবোৰৰ পৰিচয় পোৱা যায়। অসমৰ কেইবাখনো প্ৰাচীন আৰু প্ৰখ্যাত ঠাইৰ নামত অষ্ট্ৰিক ভাষাৰ প্ৰভাৱৰ কথা ড° বাণীকান্ত কাকতিদেৱে আলোচনা কৰিছে। এই নামসমূহৰ ভিতৰত কামাখ্যা, কামৰূপ ইত্যাদি।

অষ্ট্ৰিকসকলৰ পিছতে অসমলৈ অহা জনগোষ্ঠীৰ ভিতৰত দ্ৰাবিড় জনগোষ্ঠী প্ৰধান। এওঁলোকৰ স্থান

সহকাৰী অধ্যাপিকা, মায়ং আঞ্চলিক মহাবিদ্যালয়, অসম

Principal
Mayang Anchalik College
Date..................